# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 26-06-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
**----------------------**

১। আজি অষ্টাদশ লোকসভাৰ অধ্যক্ষ পদৰ বাবে নিৰ্বাচন। বিজেপিৰ ওম বিৰলা আৰু বিৰোধীৰ কে সুৰেশ অধ্যক্ষ পদৰ প্ৰাৰ্থী।

২। কংগ্ৰেছ সাংসদ ৰাহুল গান্ধী লোকসভাৰ বিৰোধী দলপতি হ'ব বুলি দলৰ সাধাৰণ সম্পাদক কে চি বেনুগোপালৰ ঘোষণা।

৩। পাঁচ-দিনীয়া অম্বুবাচী মেলাৰ অন্ত পৰাৰ পাছত আজি পুৱা ভক্তৰ বাবে কামাখ্যা মন্দিৰৰ দুৱাৰ মুকলি।

৪। ৰাজ্যত বিভিন্ন কাৰ্যসূচীৰে আজি ড্ৰাগছৰ অপব্যৱহাৰ আৰু অবৈধ সৰবৰাহ বিৰোধী আন্তৰ্জাতিক দিৱস পালন।

**আৰু**

৫। কাইলৈ আই চি চি টী-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ দুয়োখন ছেমি ফাইনেল। আফগানিস্তান দক্ষিণ আফ্ৰিকাৰ আৰু ভাৰত ইংলেণ্ডৰ মুখামুখি।

০০০০০০

অষ্টাদশ লোকসভাৰ অধ্যক্ষৰ নিৰ্বাচন আজি অনুষ্ঠিত হ'ব। বিজেপিৰ জ্যেষ্ঠ নেতা তথা যোৱাবাৰৰ লোকসভাৰ অধ্যক্ষ ওম বিৰলা এইবাৰো এন ডি এ মিত্ৰজোঁটৰ এই পদৰ প্ৰাৰ্থী হ'ব। আনহাতে, বিৰোধী আই এন ডি আই মিত্ৰজোঁটে কংগ্ৰেছ দলৰ কে সুৰেশক অধ্যক্ষ পদৰ প্ৰাৰ্থী হিচাপে প্ৰক্ষেপ কৰিছে। দুয়োগৰাকী প্ৰাৰ্থীয়ে কালি মনোনয়ন পত্ৰ দাখিল কৰে। ব্যস্ততাপূৰ্ণ আলোচনা সত্বেও চৰকাৰ আৰু বিৰোধী পক্ষ অধ্যক্ষ পদৰ প্ৰাৰ্থীক লৈ সহমতত উপনীত হোৱাত ব্যৰ্থ হয়। সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে লোকসভাৰ অধ্যক্ষ সৰ্বসন্মতভাৱে আৰু বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হ'ব লাগে বুলি প্ৰকাশ কৰিছে। সংবাদ ভৱন চৌহদত কালি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত শ্ৰীৰিজিজুৱে কয় যে, স্বাধীনতাৰ পাছৰে পৰা এতিয়ালৈকে লোকসভাৰ অধ্যক্ষ পদৰ বাবে নিৰ্বাচন অনুষ্ঠিত হোৱা নাই। তেওঁ কয় যে, চৰকাৰে লোকসভাৰ অধ্যক্ষৰ নামক লৈ সহমত গঢ়ি তোলাৰ বাবে লোকসভাত বিভিন্ন দলৰ নেতাসকলৰ সৈতে আলোচনা কৰিছে। তেওঁ কয় যে, কংগ্ৰেছ নেতৃত্বাধীন বিৰোধী পক্ষই অৱশ্যে এই ক্ষেত্ৰত চৰ্ত আৰোপ কৰিছে আৰু উপাধ্যক্ষৰ পদ দাবী কৰিছে। সহমত চৰ্তসাপেক্ষ হ'ব নালাগে বুলি উল্লেখ কৰি শ্ৰীৰিজিজুৱে কয় যে তেওঁলোক উপাধ্যক্ষৰ বাছনিক লৈ সুকীয়া সিদ্ধান্তত উপনীত হোৱাৰ বাবে সাজু আছে। মন্ত্ৰীগৰাকীয়ে বিৰোধী পক্ষক তেওঁলোকৰ সিদ্ধান্তৰ বিষয়ে পুনৰ বিবেচনা কৰিবলৈ আহ্বান জনাই কয় যে অধ্যক্ষ পদৰ বাবে নিৰ্বাচন অনুষ্ঠিত হোৱা উচিত নহয়, কিয়নো এই পদ কোনো দলৰ নহয়।

ইপিনে, কেন্দ্ৰীয় মন্ত্ৰী পীয়ুষ গোৱেলে কালি সংসদ ভৱনৰ বাহিৰত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত কয় যে কেন্দ্ৰীয় মন্ত্ৰী ৰাজনাথ সিং, অমিত শ্বাহ আৰু পীয়ুষ গোৱেলে কংগ্ৰেছ দলৰ নেতা কে চি বেণুগোপাল আৰু ডি এম কেৰ টি আৰ বালুৰ সৈতে বিষয়টো সন্দৰ্ভত বৈঠকত মিলিত হয় যদিও বিৰোধী পক্ষই শ্ৰী বিৰলাৰ প্ৰতি সমৰ্থন আগবঢ়োৱাৰ পূৰ্বে উপাধ্যক্ষৰ নাম ঘোষণা কৰাৰ দাবীক লৈ অটল হৈ থাকে। শ্ৰী গোৱেলে কয় যে বিৰোধী পক্ষক উপাধ্যক্ষৰ বিষয়টো নিৰ্বাচনৰ সময়ত সমাধান কৰা হ'ব বুলি অৱগত কৰোৱা হয়। আনহাতে, কংগ্ৰেছ সাংসদ ৰাহুল গান্ধীয়ে কয় যে বিৰোধী পক্ষ অধ্যক্ষ পদৰ প্ৰাৰ্থীলৈ সমৰ্থন আগবঢ়াবলৈ সাজু কিন্তু ইয়াৰ বাবে উপাধ্যক্ষ পদৰ প্ৰাৰ্থীগৰাকী বিৰোধী পক্ষৰ হ'ব লাগিব।

অষ্টাদশ লোকসভাৰ অধিবেশনৰ দ্বিতীয় দিনা কালি কেইবাগৰাকীও নৱনিৰ্বাচিত সদস্যই শপত গ্ৰহণ কৰে। ইয়াৰ ভিতৰত এন চি পি শাৰদ পাৱাৰ গোটৰ সুপ্ৰিয়া ছুলে আৰু আমোল খোলে, শিৱসেনা সিন্দে গোটৰ ডং শ্ৰীকান্ত সিন্দে, পঞ্জাৱৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা কংগ্ৰেছৰ সাংসদ চৰণজিত সিং চান্নি, শিৰোমণি আকালি দলৰ হৰচিমৰত কৌৰ বাদল ইত্যাদি অন্যতম। কাইলৈ সংসদৰ উভয় সদনৰ যুটীয়া বৈঠকত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ভাষণ দিব।

০০০০০০

অষ্টাদশ লোকসভাত যুৱ প্ৰজন্মৰ প্ৰতিনিধিৰ সমান্তৰাল ভাৱে কেইবাগৰাকীও জ্যেষ্ঠ ৰাজনৈতিক নেতা অন্তৰ্ভূক্ত হোৱাৰ ফলত এইবাৰ নিম্নসদন জ্ঞান আৰু অভিজ্ঞতাৰ সমন্বয় ক্ষেত্ৰ হিচাপে পৰিগণিত হৈছে। অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ উপৰি বিপ্লৱ কুমাৰ দেৱ, বাসৱ ৰাজ বুম্মাই, শিৱৰাজ সিং চৌহান, মনোহৰ লাল, এইচ ডি কুমাৰাস্বামীকে ধৰি কেইবাগৰাকীও প্ৰাক্তন মুখ্যমন্ত্ৰী এইবাৰ লোকসভালৈ নিৰ্বাচিত হৈছে। তদুপৰি প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুণ গগৈৰ পুত্ৰ গৌৰৱ গগৈৰ লগতে আন কেইবাগৰাকীও প্ৰাক্তন মুখ্যমন্ত্ৰীৰ পুত্ৰ তথা যুৱ নেতা যেনে সুপ্ৰিয়া ছুলে, দিপিন্দৰ সিং হুদা আৰু অনুৰাগ সিং ঠাকুৰে নিম্ন সদনৰ সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত নতুন দৃষ্টিভঙ্গীৰ উন্মেষ ঘটাব বুলি আশা কৰা হৈছে। একেদৰে ক্ৰীড়া আৰু চলিচ্চিত্ৰ জগতক প্ৰতিনিধিত্ব কৰা কীৰ্তি আজাদ, ইউছুফ পাঠান, কংগনা ৰাণাৱট, হেমা মালিনী, সুৰেশ গোপী আৰু ৰাস্না বেনাৰ্জীকে ধৰি কেইবাগৰাকী সাংসদে সদনক বিভিন্ন ক্ষেত্ৰৰ পৰা লাভ কৰা অভিজ্ঞতা আৰু জ্ঞানেৰে সমৃদ্ধ কৰিব বুলি আশা কৰা হৈছে।

০০০০০০

কংগ্ৰেছ সাংসদ ৰাহুল গান্ধী লোকসভাত বিৰোধী পক্ষৰ নেতা হ'ব। দলৰ সাধাৰণ সম্পাদক কে চি বেণুগোপালে কালি বিয়লি নতুন দিল্লীত সংবাদ মাধ্যমৰ আগত এইকথা প্ৰকাশ কৰে। তেওঁ কয় যে কংগ্ৰেছৰ সংসদীয় দলৰ অধ্যক্ষ ছোনিয়া গান্ধীয়ে লোকসভাত ৰাহুল গান্ধী বিৰোধী পক্ষৰ নেতা হ'ব বুলি পত্ৰযোগে অস্থায়ী অধ্যক্ষ ভৰ্তৃহৰি মেহতাবক অৱগত কৰিছে। ইপিনে, কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেৰ বাসগৃহত কালি আই এন ডি আই মিত্ৰজোঁটৰ সহযোগী দলসমূহৰ নেতাসকলৰ এখন বৈঠক অনুষ্ঠিত হয়।

০০০০০০

কাইলৈ নলবাৰীত অনুষ্ঠিত হ'ব ৰাজ্য চৰকাৰৰ কেবিনেট বৈঠক। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত দিছপুৰৰ বাহিৰত অনুষ্ঠিত কৰি অহা এই কেবিনেট বৈঠকৰ বাবে নলবাৰী জিলা প্ৰশাসনে ইতিমধ্যে প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। বৈঠকখন আজি অনুষ্ঠিত হোৱাৰ কথা আছিল যদিও জনসংযোগৰ এটা বিবৃতিত স্থগিত ৰখাৰ কথা প্ৰকাশ কৰে। আনহাতে, অহা ২৯ আৰু ৩০ জুনত দুদিনীয়াকৈ লখিমপুৰত অনুষ্ঠিত হ'বলগীয়া জিলা আয়ুক্তসকলৰ বৈঠকখনৰো দিন সলনি কৰা হৈছে। সেই অনুসৰি এই বৈঠক অহা ২ আৰু ৩ জুলাইত লখিমপুৰত অনুষ্ঠিত হ'ব।

০০০০০০

পাঁচ-দিনীয়া অম্বুবাচী মেলাৰ অন্ত পৰাৰ পাছত আজি পুৱা ভক্তৰ বাবে মা কামাখ্যা মন্দিৰৰ দুৱাৰ মুকলি কৰা হয়। কালি নিশা ৯ বাজি ৭ মিনিটত অম্বুবাচীৰ নিবৃত্তি ঘটে যদিও আজি পুৱা নিত্য-নৈমত্তিক পূজা-অৰ্চনাৰ পাছতে মন্দিৰৰ মূল দুৱাৰ মুকলি কৰা হয়। ইতিমধ্যে মেলাৰ কেইদিনত নীলাচল পাহাৰৰ কামাখ্যা ধামত লাখ লাখ ভক্ত-দৰ্শনাৰ্থীৰ সমাগম হৈছিল। ইয়াৰ মাজতে কালি মন্দিৰৰ মূল দুৱাৰ খোলাৰ সন্দৰ্ভত মন্দিৰ কৰ্তৃপক্ষৰে একাংশ সাধু-সন্নাসীৰ মতবিৰোধ হয়। প্ৰতিবাদকাৰীসকলে তেওঁলোকক দুৰ্ব্যৱহাৰ কৰা বুলি কামাখ্যা ধামত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়।

০০০০০০

ৰাজ্যৰ বান পৰিস্থিতি পূৰ্বতকৈ উন্নত হৈছে যদিও ১০খন জিলাৰ ৬৩১ খন গাঁৱৰ এক লাখ ৭০ হাজাৰতকৈ অধিক লোক বানৰ কবলত আছে। ১৩ হাজাৰতকৈও অধিক ক্ষতিগ্ৰস্ত লোকক সহায় কৰিবৰ বাবে ১০২টা আশ্ৰয় শিবিৰ আৰু ৩৮টা সাহায্য বিতৰণ কেন্দ্ৰ সক্ৰিয় ৰখা হৈছে। বানত ২১ হাজাৰৰো অধিক পশুধনৰ ক্ষতি হৈছে।

ইপিনে, চিৰাং জিলাৰ চিদলী সমীপৰ মিলনপাৰা গাঁৱত কানিভুৰ নৈৰ বাঢ়নি পানীয়ে কালি এজন লোকক উটুৱাই লৈ যায়। খেতি পথাৰত কাম কৰি ওভতি অহাৰ সময়তে কৃষকজনক পানীয়ে উটুৱাই লৈ যায়। আৰক্ষী আৰু এন ডি আৰ এফে লোকজনৰ সন্ধানত অভিযান চলাই যদিও সন্ধিয়ালৈক তেওঁৰ কোনো সন্ধান পোৱা নাই।

ইফালে, নগাওঁ চহৰৰ সমীপৱৰ্তী পাখিমৰিয়াত কালি বিজুলী ঢেৰেকনিৰে অহা বৰষুণৰ মাজতে বজ্ৰ পৰি দুজন লোকৰ মৃত্যু হয়। লোক দুজন পদুম বৰা আৰু মাঘী বৰা বুলি চিনাক্ত কৰা হৈছে।

০০০০০০

আজি ড্ৰাগছৰ অপব্যৱহাৰ আৰু অবৈধ সৰবৰাহ বিৰোধী আন্তৰ্জাতিক দিৱস। এই বছৰৰ দিৱসৰ মূল বিষয়বস্তু হৈছে - 'প্ৰমাণ স্পষ্টঃ প্ৰতিৰোধৰ বাবে হাত আগবঢ়াওক'। ৰাজ্যত শেহতীয়াকৈ এইচ আই ভি সংক্ৰমণৰ ক্ষেত্ৰত বেজীৰ দ্বাৰা ড্ৰাগছ গ্ৰহণক এটা প্ৰধান কাৰক হিচাপে বিবেচনা কৰা হৈছে। উল্লেখযোগ্য যে ড্ৰাগছ গ্ৰহণকাৰীৰ মাজত ব্যৱহৃত বেজি আৰু চিৰিঞ্জৰ আদান-প্ৰদানে এইচ আই ভি সংক্ৰমণৰ আশংকা বৃদ্ধি কৰে। ড্ৰাগছ নিৰ্ভৰশীলতাৰ উপযুক্ত চিকিৎসাৰ বাবে বেজীৰে ড্ৰাগছ গ্ৰহণকাৰীসকলে গুৱাহাটী

চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়, কাৰ্বি আংলঙৰ ডিফু চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়, শিলচৰ চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়, গোলাঘাটৰ শ্বহীদ কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়, ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়, নগাঁৱৰ ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়ত অৱস্থিত অ' এছ টি কেন্দ্ৰসমূহলৈ যাব পাৰিব। ইয়াৰোপৰি গুৱাহাটী কেন্দ্ৰীয় কাৰাগাৰতো অ' এছ টি সেৱা উপলব্ধ হ'ব।

অসমৰ বিভিন্ন জিলাৰ লগতে গোৱালপাৰা জিলাৰ আৰক্ষী প্ৰশাসনেও এই দিৱসৰ লগত সংগতি ৰাখি আজি ড্ৰাগছ বিৰোধী বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰিছে। কাৰ্যসূচীৰ অংশ হিচাপে পুৱাই এটা সজাগতামূলক চাইকেল সমদল উলিওৱা হয়। গোৱালপাৰা সদৰ থানাৰ পৰা জিলা আৰক্ষী চাউনীলৈ উলিওৱা সমদলটোত অতিৰিক্ত আৰক্ষী অধীক্ষকৰ লগতে অপৰাধ শাখাৰ অতিৰিক্ত আৰক্ষী অধীক্ষকে অংশগ্ৰহণ কৰি সকলোকে ড্ৰাগছৰ পৰা বিৰত থাকিবলৈ আহ্বান জনায়।

০০০০০০

অহা ১ জুলাইৰ পৰা দেশত বলৱৎ হ'বলগীয়া নতুন ফৌজদাৰী আইন সন্দৰ্ভত কালি প্ৰেছ ইনফৰমেচন ব্যুৰ'ৰ উদ্যোগত উলুবাৰীত থকা অসম আৰক্ষীৰ মুখ্য কাৰ্যালয়ত এখন সংবাদ মাধ্যমৰ কৰ্মশালা অনুষ্ঠিত হয়। এই অনুষ্ঠানত পি আই বি উত্তৰ-পূৰ্বাঞ্চল মণ্ডলৰ সঞ্চালক প্ৰধান কে সতীশ নাম্বুদিৰিপাড, অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাৰ অতিৰিক্ত সঞ্চালক প্ৰধান মুন্না প্ৰসাদ গুপ্তাকে ধৰি কেইবাগৰাকীও ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানত ভাষণ দি অতিৰিক্ত সঞ্চালক প্ৰধান শ্ৰীগুপ্তাই কয় যে, নতুন তিনিখন আইন ক্ৰমে ভাৰতীয় ন্যায় সংহিতা, ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা আৰু ভাৰতীয় সাক্ষ্য অধিনিয়মৰ জৰিয়তে নাগৰিকক ন্যায় দিয়াৰ প্ৰচেষ্টা হাতত লোৱা হৈছে। নতুন আইনত মহিলা আৰু শিশুৰ বিৰুদ্ধে অপৰাধৰ বাবে বিশেষ অধ্যায় সন্নিবিষ্ট কৰা হৈছে। এই ক্ষেত্ৰত দুমাহৰ ভিতৰত তদন্ত কৰি অভিযোগনামা দাখিল কৰাৰ ব্যৱস্থা ৰখাৰ লগতে শূন্য সহনশীল নীতিৰে গণধৰ্ষণৰ দৰে ঘটনাত জড়িত অভিযুক্তক মৃত্যু দণ্ডৰ বিধান ৰখা হৈছে। নতুন আইনত ইলেকট্ৰনিক মাধ্যমেৰে এজাহাৰ দাখিলৰ ব্যৱস্থা, যিকোনো থানাতেই ভুক্তভোগীয়ে এজাহাৰ দাখিল কৰিব পৰা ব্যৱস্থা, ফৰেনচিক বিজ্ঞান আৰু প্ৰযুক্তিৰ জৰিয়তে তদন্ত কৰা, অডিঅ'-ভিডিঅ' মাধ্যমেৰে স্বীকাৰোক্তি গ্ৰহণ কৰা আদি কেতবোৰ নতুন ব্যৱস্থা সন্নিবিষ্ট কৰা হৈছে।

০০০০০০

উত্তৰ-পূব সীমান্ত ৰেলৱেৰ ৰঙিয়া সংমণ্ডলৰ অধীনৰ ছয়গাঁও আৰু মিৰ্জাৰ মাজত দ্বৈত ৰেলপথ কাৰ্যক্ষম কৰাৰ বাবে অব্যাহত থকা কাম-কাজসমূহৰ পৰিপ্ৰেক্ষিতত একাংশ ৰেলৰ যাত্ৰা বাতিল কৰাৰ লগতে কিছুসংখ্যকৰ যাত্ৰাপথ সলনি কৰা হৈছে। সেই অনুসৰি গুৱাহাটী-ধুবুৰী, নিউ বঙাইগাঁও-গুৱাহাটী ডেমু ৰেলপথ ২৭ জুনলৈ বন্ধ থাকিব। একেদৰে মেন্দিপথাৰ-গুৱাহাটী যাত্ৰীবাহী ৰেলখন ২৭ জুনত বাতিল কৰা হৈছে। একেদৰে কাইলৈ যাত্ৰা আৰম্ভ কৰিবলগীয়া গুৱাহাটী-হাওৰা শৰাইঘাট এক্সপ্ৰেছ কামাখ্যা-ৰঙিয়া-নিউ বঙাইগাঁও হৈ যাত্ৰা কৰিব। উত্তৰ-পূব সীমান্তৰ এটা বিবৃতিত এই কথা প্ৰকাশ কৰা হৈছে।

০০০০০০

ৰাজ্য চৰকাৰৰ প্ৰজ্ঞান ভাৰতী আঁচনিৰ অধীনত মহাবিদ্যালয় পৰ্যায়ত বিনামূলীয়া নামভৰ্তিৰ সুবিধা লাভ কৰিব বিচৰা শিক্ষাৰ্থীসকলে পিতৃ-মাতৃৰ আয়ৰ প্ৰমাণপত্ৰৰ পৰিৱৰ্তে পৰিয়ালৰ ৰেচন কাৰ্ডো দাখিল কৰিব পাৰিব। বিনামূলীয়া নামভৰ্তিৰ বাবে ছাত্ৰ-ছাত্ৰীসকলৰ পিতৃ-মাতৃ চৰকাৰৰ অধীনস্থ নিগম-নিকায়ত কৰ্মৰত হ'ব নোৱাৰিব, ছাত্ৰ-ছাত্ৰীসকলে নিয়মীয়া শিক্ষাৰ্থী হিচাপে নামভৰ্তি কৰিব লাগিব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই কথা ঘোষণা কৰি কয় যে এই সন্দৰ্ভত মহাবিদ্যালয় কৰ্তৃপক্ষক ইতিমধ্যে নিৰ্দেশ দিয়া হৈছে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে প্ৰকাশ কৰা অনুসৰি এই আঁচনিৰ অধীনত প্ৰাদেশিকীকৃত তথা চৰকাৰী মহাবিদ্যালয়সমূহ আৰু ৰাজ্যিক বিশ্ববিদ্যালয়সমূহত ৪ বছৰীয়া স্নাতক পাঠ্যক্ৰমত প্ৰায় ৫৭ হাজাৰতকৈ অধিক শিক্ষাৰ্থীয়ে নামভৰ্তি কৰিছে। তেওঁ কয় যে আৰু ৫০ হাজাৰ শিক্ষাৰ্থীয়ে এই আঁচনিৰ সুবিধা লাভ কৰিব বুলি আশা কৰা হৈছে। এই আঁচনিৰ বাবদ ৮২৬ কোটি ৩৬ লাখ টকা ব্যয় হ'ব বুলি অনুমান কৰা হৈছে।

০০০০০০

আফগানিস্তান কাইলৈ পুৱা ত্ৰিনিদাদৰ ব্ৰায়নলাৰা ষ্টেডিয়ামত হ'বলগীয়া আই চি চি টী-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ প্ৰথমখন ছেমি ফাইনেলত দক্ষিণ আফ্ৰিকাৰ সন্মুখীন হ'ব। আনহাতে, ভাৰত কাইলৈ নিশা গায়ানাত হ'বলগীয়া দ্বিতীয়খন ছেমি ফাইনেলত ইংলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। প্ৰতিযোগিতাৰ চূড়ান্ত খেলখন শনিবাৰে বাৰবাডোছৰ ব্ৰীজটাউনত অনুষ্ঠিত হ'ব।

০০০০০০

ভাৰতীয় হেণ্ডবল দলত স্থান লাভ কৰিছে অসম সন্তান জোন দেউৰীয়ে। বাংলাদেশৰ ঢাকাত অনুষ্ঠিত হ'বলগীয়া ইণ্ডো-বাংলাদেশ হেণ্ডবল চেম্পিয়নশ্বিপ ২০২৪ত ভাৰতীয় মূল দলত অসম ডাউন টাউন বিশ্ববিদ্যালয়ৰ ছাত্ৰ দেউৰীয়ে অংশগ্ৰহণ কৰিব। লখিমপুৰ জিলাৰ মাজৰ চাপৰি দেউৰী গাঁৱৰ অধিৰাজ দেউৰী আৰু পুতলা দেউৰীৰ সন্তান জোন দেউৰীয়ে এই প্ৰতিযোগিতাৰ বাবে কাইলৈ বাংলাদেশলৈ ৰাওনা হ'ব।

০০০০০০

'তদন্তৰ নামত এছ্ আই টিৰ প্ৰহসন' শীৰ্ষক শিৰোনামেৰে **দৈনিক অসম** কাকতে এ পি এছ্ চি কেলেংকাৰীৰ অভিযোগনামাক লৈ বিশেষ ন্যায়াধীশ ক্ষুণ্ণ হোৱাৰ বাতৰিটো প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। একেটা বাতৰিক প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে 'এছ্ আই টিৰ কাণ্ডক লৈ ক্ষুণ্ণ আদালতে তদন্তকাৰী থুবেক অপসাৰণৰ নিৰ্দেশ' শিৰোনামেৰে **আমাৰ অসম** কাকতে প্ৰকাশ কৰিছে।

নজিৰ সৃষ্টি কৰি আজি নিৰ্বাচনৰ জৰিয়তে নিযুক্ত হ'ব অষ্টাদশ লোকসভাৰ অধ্যক্ষ। **অসমীয়া প্ৰতিদিন** কাকতে এই বাতৰিটো 'আজি এন ডি এ ইণ্ডিয়াৰ অধ্যক্ষ নিৰ্বাচনৰ যুঁজ' শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে। 'NDA fields Om Birla for LS Speaker's post' শিৰোনামেৰে **দা আছাম ট্ৰিবিউন** কাকতে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। একেটা বাতৰিক **দৈনিক অগ্ৰদূত** কাকতে 'লোকসভাৰ অধ্যক্ষ-উপাধ্যক্ষক লৈ সমুখ সমৰত শাসক-বিৰোধী' শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে। 'Lok Sabha Speaker, Om Birla V/s K Suresh' শিৰোনামেৰে **দি ছেণ্টিনেল** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

'গেৰুকামুখ প্ৰকল্পৰ শক্তিগৃহ তচ-নচ' শীৰ্ষ শিৰোনামেৰে **দৈনিক জনমভূমি** কাকতে এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

'নীটৰ প্ৰশ্নকাকত ফাদিলৰ তদন্তৰ দায়িত্ব গ্ৰহণ চি বি আই' শিৰোনামাৰে **নিয়মীয়া বাৰ্তা** কাকতে এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। একেটা বাতৰিক **অসমীয়া খবৰ** কাকতে '৩০০ কোটি সংগ্ৰহৰ লক্ষ্যৰে হৈছিল নীট কেলেংকাৰী' শিৰোনামেৰে প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০

সমাপ্ত